# সুনীল চক্রবর্তীর
# দুখাঁ
# সমালোচনা

মুনীন বৰকটকীৰ

# প্ৰসঙ্গ ঃ সমালোচনা

( সমালোচনামূলক প্ৰবন্ধ সংকলন )

সম্পাদক
নলিনীধৰ ভট্টাচাৰ্য্য

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী - ৭৮১০০১



প্ৰতিষ্ঠাতা ঃ নৰেন্দ্ৰ চন্দ্ৰ দত্ত, স্থাপিত ঃ ১৯৪৫

প্ৰকাশক ঃ
শ্ৰীঅজয় কুমাৰ দত্ত
ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী - ৭৮১০০১

পৰিবেশক ঃ
ভাৰতী বুক ষ্টল
গোলাঘাট - ৭৮৫৬২১

© মুনীন বৰকটকী স্মাৰক ন্যাস

প্ৰচ্ছদ ঃ
কৃষ্ণেন্দু চাকী

প্ৰথম প্ৰকাশ ঃ
ডিচেম্বৰ, ১৯৯৬

ISBN 81-86494-38-3

মূল্য ঃ ৫০·০০ টকা

মুদ্ৰক ঃ
ইউৰেকা
৯১/এ বৈঠকখানা ৰোড
কলিকাতা - ৭০০ ০০৯

মুনীন বৰকটকীৰ

# প্ৰসংগ ঃ সমালোচনা

# সূচীপত্ৰ


ভূমিকা ঃ . . . (১) – (৯)

(ক)

১. মহিম বৰাৰ 'কাঠনিবাৰী ঘাট'ৰ পাতনি . . . ১১
২. এজন পঢুৱৈৰ একাযাৰ . . . ২৮

(খ)

৩. পুথি পৰিচয় (১) . . . ৩২
৪. পুথি পৰিচয় (২) . . . ৩৭
৫. পুথি পৰিচয় (৩) . . . ৪৩
৬. নতুন সোৱাদেৰে সুৰদি . . . ৫১
৭. পূব মাণ্ডলিক নাট উৎসৱ '৮৬ . . . ৫৩

(গ)

৮. লক্ষ্মীনাথ বেজবৰুৱা . . . ৬০
৯. বৃহৎ কলেৱৰৰ কালোত্তীৰ্ণ উপন্যাস সম্পৰ্কে আলোচনা . . . ৭০
১০. যুগধৰ্ম আৰু সাহিত্য চেতনা . . . ৭২
১১. সংস্কৃত সাহিত্য আৰু প্ৰাচ্যতত্ত্বমূলক গৱেষণা . . . ৭৪
১২. কৃতী অসমীয়া শিল্পী . . . ৮০
১৩. কুমুদ গোস্বামীৰ 'দুৱাৰ' . . . ৮৩
১৪. অনাতাঁৰ নাটৰ কাহিনী ঃ অনাতাঁৰ নাট্যাৱলী . . . ৮৫
১৫. চাৰি হেজাৰ বছৰৰ অসম . . . ৮৯
১৬. নাটকত নৱধাৰা আৰু 'পুৰুষ' . . . ৯২
১৭. সাহিত্যাচাৰ্য্য হাজৰিকাৰ স্মৃতি-তৰ্পণত কামৰূপ নাট্য সমিতিৰ নাট্যাৰ্ঘ্য . . . ৯৬

১৮. প্ৰগতি শিল্পী সংঘৰ ৰসোত্তীৰ্ণ নাট 'সংলাপ' . . . ৯৮
১৯. ৰবীন্দ্ৰ ভৱনত 'শৌভিক'ৰ থ্ৰিলাৰ
নাটকৰ অভিযোজনা . . . ১০২
২০. অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ ভূমিকা . . . ১০৫
২১. সময়োপযোগী সুলিখিত প্ৰকাশন . . . ১০৯
২২. তথ্যগধুৰ নৃতাত্ত্বিক আলোচনা . . . ১১২
২৩. এলানি বাছকবনীয়া প্ৰবন্ধ . . . ১১৭
২৪. 'জয়প্ৰকাশ নাৰায়ণ' পুথিৰ বিষয়ে . . . ১১৯
২৫. এখন মূল্যবান ৰাজনৈতিক দলিল . . . ১২১
২৬. চেতনা-স্ৰোতী আঙ্গিকৰ বৈশিষ্ট্যপূৰ্ণ
প্ৰকাশ ঃ ন-ধৰণৰ গল্প . . . ১২৭
২৭. শীলভদ্ৰ ঃ মধুপুৰ বহুদূৰ . . . ১৩২

(ঘ)

২৮. এখন ঐতিহাসিক গ্ৰন্থ ঃ ইতিহাসৰ ৰচনাবিধি
আৰু ক্ৰমবিকাশ . . . ১৩৬

(ঙ)

২৯. দুখন ইংৰাজী কিতাপ ঃ এখন মাৰ্কিনী,
ইখন ভাৰতীয় . . . ১৪০
৩০. আয়ুবৰ 'ফ্ৰেণ্ডছ, নট্‌ মাষ্টাৰ্ছ' ঃ ৰাজনৈতিক
আত্মজীৱনী নে আত্মপ্ৰচাৰ? . . . ১৪৫
৩১. সল্‌ঝেনিট্‌সিনৰ 'গুলাগ' . . . ১৫৪
৩২. শৌভিকৰ সফল অভিযোজনা 'এণ্টিগনি' . . . ১৬১

(চ)

৩৩. চিত্ৰ-পুৰস্কাৰ নিৰ্বাচনৰ সমস্যা . . . ১৬৪
৩৪. হালধীয়া চৰায়ে বাওধান খায় . . . ১৬৬
৩৫. এখন উল্লেখযোগ্য তথ্য চিত্ৰ . . . ১৬৯

# ভূমিকা

সৃষ্টিয়েই হওক বা স্ৰষ্টাই হওক, উভয়েই ৰসিকজনৰ অভিমত বিচাৰে। সাধাৰণতে স্ৰষ্টাই নিজৰ সৃষ্টিৰ ভাল-বেয়া সম্পৰ্কে এটা নিশ্চিত ধাৰণা কৰিবলৈ টান পায়; সেইবাবেই তেওঁবিলাকে সমালোচকৰ ওচৰ চাপে। আধুনিক কালত সকলো দেশতে সাহিত্যৰ সমালোচনা হৈ আছে আৰু হৈ থাকিবও। অৱশ্যে, সাহিত্যৰ ইতিহাসত দেখা যায়, বহুতো লেখকে সমালোচকৰ উন্নাসিক বিদ্ৰূপ সহ্য কৰিব পৰা নাই। গ্যেটে, শ্বেক্সপীয়েৰ, টলষ্টয় আদি স্বনামধন্য লেখকৰো সমালোচক সম্পৰ্কে বিৰূপ মন্তব্য আছে। শ্যেলীয়ে তেওঁৰ 'এডনেইছ' নামৰ কবিতাত সমালোচকেই কীট্‌ছৰ মৃত্যুৰ কাৰণ বুলি ইংগিত দিছে। তথাপি সহৃদয় সামাজিক অথবা সমালোচকৰ ভূমিকাই সাহিত্য-নিৰ্মাণত সদায় সহায় কৰি আহিছে। এই কথা নুই কৰিব নোৱাৰি। সমালোচক অৱশ্যে ভূয়োদৰ্শী হোৱা উচিত। সেইটো সকলো স্ৰষ্টাই আশা কৰে। সমালোচনা বহুলাংশে সমালোচকৰ ৰুচিবোধ বা ভাল-বেয়া নলগাৰ ওপৰতে নিৰ্ভৰ কৰে যদিও, সমালোচকজনৰ জীৱন-জগত সম্বন্ধে এটা বিজ্ঞানসন্মত বস্তুনিষ্ঠ দৃষ্টিকোণ আৰু এটা গভীৰ অথচ নিৰপেক্ষ সাহিত্যদৃষ্টিৰ প্ৰয়োজন আছে। দৃষ্টিকোণ যে সদায় স্থিৰ হৈ থাকিব সেইটো নহয়, সি কাল-স্থান-পৰিস্থিতি অনুযায়ী সলনি হ'বও পাৰে। তেতিয়াহে প্ৰকৃত বিচাৰ, মূল্যায়ন অথবা দিক্-দৰ্শন সম্ভৱ হৈ উঠে।

আধুনিক অসমীয়া সাহিত্যৰ সমালোচনা মূলতঃ পাশ্চাত্যৰ দান। 'অৰুণোদই'ৰপৰা 'জোনাকী'-যুগৰ আগলৈকে সমালোচনাত্মক দৃষ্টি গঢ় লোৱা নাছিল বুলিব পাৰি। জোনাকী-যুগত এই দৃষ্টিয়ে থিতাপি লয় আৰু লাহে লাহে ইয়াৰ বিকাশ হ'বলৈ ধৰে। প্ৰথমছোৱাত প্ৰাচীন ধ্ৰুপদী সাহিত্য মধ্যযুগৰ বুৰঞ্জী সাহিত্যৰ আধুনিক দৃষ্টিৰে আলোচনা হোৱাৰ উপৰিও, সেইবোৰৰ সংগ্ৰহ আৰু সম্পাদনাৰ কামো বৰ আন্তৰিকতা আৰু নিষ্ঠাৰে কৰা হৈছিল। আনহাতে সমসাময়িক অসমীয়া সাহিত্যৰো ব্যাখ্যাত্মক সমালোচনাৰ কামো আৰম্ভ হৈছিল। দিক্-দৰ্শনৰ ভাৰ বেছিভাগ বেজবৰুৱাৰ ওপৰতে পৰিছিল বুলিব পাৰি। বেজবৰুৱাই সম্ভৱতঃ আস্বাদন-পন্থী ৰীতিৰে আৰম্ভণি কৰিছিল--ইংৰাজীত যাক appreciation বুলিব পাৰি। পৰাধীন দেশত অসমীয়া ভাষা-সাহিত্যৰ উজ্জীৱনৰ

প্রবল আশংকাই তেওঁক সময়ে সময়ে সমালোচনাশীল হ'বলৈ যে বাধ্য কৰিছিল, সেই কথা খাটাং আৰু এইবাবেই সাহিত্য সভাৰ অভিভাষণত তেওঁ সাহিত্য-তত্ত্বৰো আভাস দি তালৈ তৰুণ লেখকসকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল।

বেজবৰুৱাৰ পিছত উল্লেখযোগ্য সমালোচক হ'ল বাণীকান্ত কাকতি। কাকতিৰ পাণ্ডিত্য, মননশীলতা, পৰ্য্যবেক্ষণ-শক্তি আৰু সূক্ষ্ম বিশ্লেষণ ক্ষমতাই অসমীয়া সাহিত্যৰ সমালোচনাৰ ভেটি সুদৃঢ় কৰি থৈ গ'ল। ইংৰাজ সমালোচক ৱাল্টাৰ পেটাৰৰ দৰেই তেওঁৰ সমালোচনা-ৰীতি মন্ময় (subjective) হ'লেও আন এজন ইংৰাজ কবি আৰু সমালোচক মেথ্যু আৰ্নল্ডৰ তন্ময়তাকে (objectivity) তেওঁ উপেক্ষা কৰা নাছিল। পেটাৰে ইম্প্ৰেছনৰ ওপৰত গুৰুত্ব দিছিল, আৰ্নল্ডে্ সাহিত্য-কৰ্মক বিশ্ব-সাহিত্যৰ শ্ৰেষ্ঠ, উত্তম প্ৰকাশভংগীৰ লগত তুলনামূলক বিচাৰেৰে সাহিত্যৰ মান নিৰ্ণয় কৰিছিল। কাকতিয়ে এই দুয়োটা ৰীতিৰে আশ্ৰয় লৈছিল যদিও তেওঁৰ সমালোচনাত এটা স্বকীয়তাও ফুটি উঠিছিল। আৰ্নল্ডৰ দৰে তেওঁ পুথিৰ উচ্চমানৰ প্ৰতিও সজাগ আছিল। ভাৰতীয় সাহিত্য আৰু অলংকাৰশাস্ত্ৰৰো জ্ঞান থকা এইগৰাকী সমালোচকে 'ৰস', 'ব্যঞ্জনা' আদি শব্দৰো যুগোপযোগী ব্যৱহাৰ কৰিছিল। যোগ্যজনক উপযুক্ত সহানুভূতিশীল বিচাৰেৰে সাহিত্যৰ বুৰঞ্জীত স্থান দিয়াই তেওঁৰ সমালোচনাৰ লক্ষ্য আছিল। লেখক-পাঠকৰ সংযোগ সাধনৰ উদ্দেশ্যও তেওঁৰ ৰচনাত ফুটি উঠিছিল। সমসাময়িক অন্যান্যসকলৰ ভিতৰত ডিম্বেশ্বৰ নেওগ বিচক্ষণ সমালোচক আছিল যদিও মাজে-সময়ে তেওঁ একদেশদৰ্শী হোৱাৰ উদাহৰণো আছে। শেৱালি কবি ৰত্নকান্ত বৰকাকতি স্বল্পাৰ্থত সমালোচক নাছিল যদিও বেজবৰুৱাৰ 'ডালিমী' আৰু গোহাঞিবৰুৱাৰ 'জিনু' সম্পৰ্কীয় তুলনামূলক বিচাৰ থকা প্ৰবন্ধটো বিশেষভাৱে উল্লেখযোগ্য হৈ থাকিব। তাৰ পৰৱৰ্তী সমালোচকসকলৰ ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱা, যজ্ঞেশ্বৰ শৰ্মা, ত্ৰৈলোক্য নাথ গোস্বামী, হেম বৰুৱা, ভবানন্দ দত্ত, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰ নাথ শৰ্মা, প্ৰফুল্ল দত্ত গোস্বামী আদিৰ নাম স্মৰণীয় হৈ আছে। তাৰ পিছতো মহেন্দ্ৰ বৰা, হোমেন বৰগোহাঞি, ললিত বৰুৱা, জ্ঞানানন্দ শৰ্মা পাঠক, দিলীপ বৰুৱা, উপেন শৰ্মা আদিৰ অৱদান উপেক্ষণীয় নহয়। এইসকলৰ পিছৰচামৰ ভিতৰত ড° হীৰেন গোঁহাই, ভবেন বৰুৱা, নগেন শইকীয়া গোবিন্দ প্ৰসাদ শৰ্মা, ৰণজিত দেব গোস্বামী, হীৰেন দত্ত আদিয়ে সমালোচনাৰ শ্ৰীবৃদ্ধি কৰিছে। ইম্প্ৰেছনভিত্তিক ধাৰাৰপৰা অসমীয়া সমালোচনা সাহিত্যত ক্ৰমান্বয়ে নৈতিক, মনস্তাত্ত্বিক,



সমাজতাত্ত্বিক, ৰূপবাৰী আৰু আৰ্কিটাইপেল আদি নানা ৰহণীয়া ধাৰা যে সন্নিবিষ্ট হৈছে তাক বহলাই ন'কলেও হ'ব। শেহতীয়াভাৱে ড° হীৰেন গোঁহায়ে পদ্ধতিগত আৰু শৃংখলাবদ্ধভাৱে প্ৰকৃতাৰ্থত জীৱন-ঘনিষ্ঠ দৃষ্টিকোণ এটাৰে সমালোচনা সাহিত্যৰ বিকাশ সাধন কৰিছে।

অসমৰ বৌদ্ধিক চিন্তা-চৰ্চালৈ অৰিহণা যোগাওঁতা মুনীন বৰকটকীয়ে চল্লিশৰ দশকৰপৰা আশীৰ দশকৰ আৰম্ভণিলৈকে লিখা-মেলা কৰি আছিল যদিও, তেওঁৰ লেখা আছিল ছেগা-চোৰোকা, জ্ঞান আহৰণৰ হেঁপাহ তেওঁৰ যিমান আছিল সেই পৰিমাণে তেওঁ যদি আত্মপ্ৰকাশ কৰিলেহেঁতেন--তেন্তে অসমীয়া সাহিত্য সমৃদ্ধ হ'লহেঁতেন। সেয়ে হৈ নুঠিল; জীৱিতাৱস্থাত যি অলপ-অচৰপ লিখিছিল, তাক তেওঁ নিৰ্জে প্ৰকাশ কৰাৰ চেষ্টা কৰা নাছিল, বোধহয় চাৰু মহন্ত নোহোৱা হ'লে 'বিস্মৃত ব্যতিক্ৰম'ৰ দৰে পুথিও নোলালহেঁতেন। পুথি সমালোচনাবোৰো সংশ্লিষ্ট কাকতসমূহৰ তাগিদা নোহোৱাহেঁতেন, পোহৰলৈ আহিলহেঁতেন নে নাহিলহেঁতেন ক'ব নোৱাৰি। অসমৰ বিভিন্ন সমস্যা সম্বন্ধে তেওঁ কাকতলৈ যিবোৰ চিঠি-পত্ৰ (বিশেষকৈ ইংৰাজীত) লিখিছিল, সেইবোৰহে আপোন ইচ্ছাৰে লিখিছিল যেন লাগে। অথচ এইজন মানুহেই যৌৱনত অসমীয়া সাহিত্যৰ নতুন দিগন্ত, নতুন প্ৰাণৰ স্বপ্ন দেখিছিল, আধুনিক পাশ্চাত্য সাহিত্যৰ তত্ত্ব, পশ্চিমীয়া দাৰ্শনিক মাৰ্ক্স-ফ্ৰয়েডৰ যুগান্তকাৰী বিচাৰ-ধাৰা আত্মসাৎ কৰি আনকো তাৰ মৰ্মত প্ৰৱেশ কৰিবলৈ উদগনি দিছিল। কলিকতাৰ মহানৰমেধত প্ৰাণ হেৰুওৱা কবি অমূল্য বৰুৱা আৰু তেওঁৰ সহপাঠীসকলৰ মানসিক দিগন্ত বিস্তৃত কৰাত তেওঁ সহায় কৰিছিল। আনকি প্ৰথম অৱস্থাত লাজকুৰীয়া হেম বৰুৱাকো তেওঁ নতুন ধ্যান-ধাৰণাৰ ভেটিত সাহিত্য-চৰ্চা কৰিবলৈ অহৰহ সঁকীয়াই আছিল। কোনে জানে, হেম বৰুৱাৰ 'আধুনিক সাহিত্য'ও বৰকটকীৰ সেই সঁকীয়নিৰে ফল। এইজন বৰকটকীয়েই 'আৱাহন'ত 'কনফেছনছ্' নামৰ যিটো প্ৰবন্ধ লিখিছিল সেইটো বহুতেই ৰম্য-ৰচনাৰ প্ৰথম নিদৰ্শন বুলি অভিহিত কৰিছে। কথাটো সঁচা হ'লেও, প্ৰকৃততে সেইটো খুহতীয়া ভাষাত আধুনিক পাশ্চাত্য সাহিত্যৰ আৰু সাহিত্য-তত্ত্বৰ সপক্ষে লিখা এটি ৰসাল প্ৰবন্ধহে। তাত ফ্ৰয়েডীয় দেহবাদৰপৰা আৰম্ভ কৰি জেম্‌ছ জয়ছৰ দুৰূহ ৰীতিলৈকে ভালেখিনি কথাৰ পৰোক্ষ ইংগিত আছে। আন কি তাত তেওঁ মাৰ্ক্সৰ 'First change, then interpret' নীতিৰো আভাস দিছে। ৰস-ৰচনা, ৰম্য ৰচনা 'Loose sally of the mind's, যিহকে আমি নকওঁ,--প্ৰবন্ধটোৱে যে অসমীয়া লেখকক 'জ্ঞান মালিনী'

বা মনোমতীকে শ্ৰেষ্ঠ লেখনী বুলি নধৰি আৰু আগুৱাই যাবলৈ ইংগিত দিছিল সেই কথা নুই কৰিব নোৱাৰি। এই প্ৰবন্ধটোতে তেওঁ সাহিত্য-বিচাৰৰ শক্তি অৰ্জন কৰিছিল বুলিও ধৰিব পাৰি। ৰচনাখনৰ একমাত্ৰ আসোঁৱাহ হ'ল, অত্যধিক ইংৰাজী শব্দৰ ব্যৱহাৰ--যিটোৱে ইংৰাজী নজনা সাধাৰণ পাঠকক বুজাৰ সুযোগ নিদিয়ে। অন্তৰংগ বন্ধু শ্ৰীযুত কৃষ্ণ ভূঞা আৰু তেওঁ একেলগে গল্প লিখিবলৈও লৈছিল,--কিন্তু লাহে লাহে গল্প লিখিবলৈও তেওঁ এৰি দিলে আৰু প্ৰৌঢ়াৱস্থাত আহি সমালোচনামূলক ৰচনাত প্ৰবৃত্ত হ'ল। চিন্তাশীল, সংবেদনশীল অন্তৰ্মুখী চৰিত্ৰৰ বাবে তেওঁৰ ব্যক্তিত্বৰ পূৰ্ণ প্ৰকাশ হয়তো নহ'ল, কিন্তু 'বিস্মৃত ব্যতিক্ৰম'ৰ দৰে পুথিত বিখ্যাতসকলৰ লগতে অল্পখ্যাত সকলকো জাতীয় জীৱনলৈ দিয়া বৰঙণিৰ বাবে যি অকুণ্ঠ শ্ৰদ্ধা জনাইছে তাৰ পৰা বুজিব পাৰি, আন্তৰ্জাতিক জিজ্ঞাসাৰ মাজতো জাতীয় জীৱন আৰু সংস্কৃতিৰ সুস্থ উদ্বোধন তেওঁ আন্তৰিকভাৱে বিচাৰিছিল। জীৱনৰ বেছিভাগ সময়েই তেওঁ মৌন হৈ ৰ'ল, আনকি তেওঁৰ সাংবাদিক জীৱনো নিচেই চুটি,--তথাপি এই মৌনতাও আছিল মননশীল জীৱনবোধেৰে মুখৰ--য'ত জাতীয়তাবোধ আৰু আন্তৰ্জাতিকতাবোধৰ অপৰূপ সন্মিলন ঘটিছিল। 'বিস্মৃত ব্যতিক্ৰম' প্ৰকৃত জীৱনী-সাহিত্য নহয়, বীৰপূজাও নহয়, দৰাচলতে পুথিখন স্বনামধন্য পুৰুষ কেইজনমানৰ জীৱনৰ আদৰ্শগত সংঘাত আৰু সংশ্লেষণৰ আলোচনা থকা ৰেখা-চিত্ৰহে মাথোন। লিয়ন ষ্ট্ৰেছিৰ অধ্যয়ন পুথিখনৰ উৎস যদিও, তেওঁ পশ্চিমীয়া আৰ্হি গ্ৰহণ কৰা নাই। পৰলোকগত পুৰুষৰ দোষ খুচৰি থকাতকৈ গুণখিনি আত্মসাৎ কৰাহে বিধেয়--এনে এক ধাৰণা পুথিখনৰ মূল ভেটিস্বৰূপ হৈ আছে। এই শ্ৰদ্ধাঞ্জলি জাতীয় জীৱন নিৰ্মাণ কৰাত সহায়ক হ'ব। সম্ভৱতঃ এইবাবেই পুথিখন ইতিমধ্যে অসমীয়া সাহিত্যত এটা মূল্যবান সংযোজন বুলি বিবেচিত হৈছে।

বৰকটকীৰ সমালোচনা কেনে ধৰণৰ আছিল? প্ৰথম দৃষ্টিতে চকুত পৰে বিষয়-বৈচিত্ৰ্য। নানা তৰহৰ বিষয়বস্তু সম্পৰ্কে তেওঁ এটা সুচিন্তিত অভিমত দিব পৰাৰ্লৈ লক্ষ্য কৰিলে বুজিব পাৰি, জ্ঞানৰ বিভিন্ন ক্ষেত্ৰত তেওঁৰ অনায়াস বিচৰণ সম্ভৱ হৈছিল। গল্প, উপন্যাস, নাটক, কবিতা, প্ৰবন্ধ-সংগ্ৰহৰ আলোচনা কৰাৰ উপৰিও, কথাছবি, নাট্যাভিনয়, অনাতাঁৰ নাট, নাট্যোৎসৱ, ভ্ৰাম্যমান থিয়েটাৰ, লোককৃষ্টি, ৰাজনীতি, প্ৰাচ্যতত্ত্ব আদি বিষয়ো তেওঁৰ বিচাৰৰ এলেকাত পৰিছিল। তেওঁৰ সমালোচনাবোৰ যুক্তি-নিৰ্ভৰ চিন্তা (reasoned re-



flections) যেনহে লাগে, অৱশ্যে সংবেদনশীলতাও এই সমীক্ষাবোৰৰ আন এটি বৈশিষ্ট্য। জীয়াই থকা সকলৰ দোষ-ত্ৰুটি তেওঁ দেখুৱাইছে, কিন্তু মৃতসকলৰ ক্ষেত্ৰত তেওঁ গুণখিনিলৈহে বেছিকৈ চকু দিছে। পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে প্ৰকাশ কৰা 'অভিনন্দন ভাৰতী' নামৰ গ্ৰন্থখনৰ আলোচনা প্ৰসংগত তেওঁ এইবুলি মন্তব্য কৰিছে ঃ

"সমালোচনাত দোষ-গুণ দুয়োটাই থকা বাঞ্ছনীয় সঁচা, কিন্তু সেইবুলি এগৰাকী পৰলোকগত বৰেণ্য পণ্ডিতৰ কৃতি বিচাৰ কৰিবলৈ যাওঁতে সৰু-সুৰা ত্ৰুটি-বিচ্যুতিত গুৰুত্ব দিলে সমাদৰৰ অঙ্গহানি হোৱাৰ আশংকা থাকে।"

এই অভিমত সৰ্বসন্মত নহ'ব পাৰে, তেওঁ নিজেও এই মতত আঁকোৰগোজ হৈ থকা নাই,--তথাপি সাধাৰণভাৱে মৃতসকলৰ ক্ষেত্ৰত তেনে এক দৃষ্টিভংগী তেওঁৰ আছিল যেন মনে ধৰে। মানুহ মৰাৰ পিছত তেওঁৰ দোষ এৰি গুণখিনি লোৱাৰ যি পৰম্পৰা আমাৰ সমাজত আছে, আধুনিক হৈও তেওঁ সেই পৰম্পৰাবোধ ত্যাগ কৰা নাই। কথাটো বস্তুনিষ্ঠ বুলিব নোৱাৰি, কিয়নো, মানুহ ভাল-বেয়াৰ সমষ্টিহে। বৰকটকীয়ে এই কথা জানে। তথাপি অসমীয়া জাতীয় জীৱনৰ সুস্থ সংগঠনৰ ফালৰপৰাহে এনেকৈ সংস্কৃতিৰ মাজতো সংগঠনৰ সঁজুলি বাছি উলিয়াবলৈ তেওঁ যত্ন কৰিছে। পৰলোকগতসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলিও এইভাৱেহে সফল হয়।

আগতেই কৈ আহিছোঁ যে তেওঁৰ সমালোচনামূলক প্ৰবন্ধবোৰৰ ধৰণ বিচিত্ৰ। 'লক্ষ্মীনাথ বেজবৰুৱা' (অসম প্ৰকাশন পৰিষদে শতবাৰ্ষিকীত প্ৰকাশ কৰা প্ৰবন্ধ-সংকলন), জ্ঞাননাথ বৰাৰ 'আধুনিক অসমীয়া সাহিত্য', মৌলানা তৈয়বুল্লাৰ 'কাৰাগাৰৰ চিঠি,' হেম বৰুৱাৰ 'সাহিত্য আৰু সাহিত্য,' দেবেন্দ্ৰ নাথ শৰ্মাৰ 'ভাৰতৰ স্বাধীনতা সংগ্ৰাম' নৱকান্ত বৰুৱাৰ 'যতি', মালিকৰ 'অন্য আকাশ, অন্য তৰা', অৰুণ শৰ্মাৰ 'পুৰুষ', মহিম বৰাৰ 'কাঠনিবাৰী ঘাট,' শীলভদ্ৰৰ 'মধুপুৰ বহুদূৰ', নগেন শইকীয়াৰ চেতনা-স্ৰোতী গল্প, ছলঝেনিটচিনৰ (বৰকটকীয়ে 'সলঝেনিটসিন' লিখিছে) গুলাগ আৰ্কিপেলেগো, আয়ুব খাঁৰ 'ফ্ৰেণ্ডছ্, নট মাষ্টাৰ্ছ,' ড° হেৰম্ব কান্ত বৰপূজাৰীৰ 'ইতিহাসৰ ৰচনা-বিধি আৰু ক্ৰমবিকাশ' আদিৰ বিষয়ে লিখা সমালোচনা-পৰ্য্যালোচনাবোৰে তেওঁৰ জ্ঞান আৰু অভিজ্ঞতাৰ সংকেত দিয়াৰ উপৰিও তেওঁৰ বিচাৰশীল দৃষ্টিৰো আভাস দিয়ে। ড° শিৱনাথ বৰ্মনৰ 'লোক-কৃষ্টিৰ উৎস' প্ৰসংগত তেওঁৰ নৃতাত্ত্বিক জ্ঞানৰো পৰিচয় পোৱা যায়। বৰপূজাৰীৰ ইতিহাস-চিন্তাৰো তেওঁ সাৰ্থক মূল্যায়ন

কৰিছে। তেওঁৰ সমালোচনা কেতিয়াবা যুক্তিনিৰ্ভৰ জিজ্ঞাসা যেন লাগে। লক্ষ্মীনাথ বেজবৰুৱা শীৰ্ষক সংকলনৰ লেখকসকলৰ বিভিন্ন ৰচনাৰ বৈশিষ্ট্য আৰু তাৎপৰ্য্যলৈ আঙুলিয়াই দি পিছত তেওঁ এইবুলি প্ৰশ্ন কৰিছে--বেজবৰুৱাক শ্ৰেষ্ঠ সাহিত্যিক নুবুলি জাতীয় বীৰ বোলা হয় কিয়? বেজবৰুৱাৰ ৰূপ বিচিত্ৰ, তেওঁ ব্যৱসায়ী, a man of the world,-- তাৰ বিষয়ে অনুসন্ধান হোৱা নাই কিয়? গীতিকাৰ বেজবৰুৱা সম্পৰ্কে আলোচনা হৈছে জানো? এনে ধৰণৰ মননশীল জিজ্ঞাসা তেওঁৰ সমালোচনাৰে অংগ। নৱকান্ত বৰুৱাৰ কবিতাত মানৱীয় সংকটৰ চিত্ৰ বিচাৰিছে, ছলঝেনিটচিনৰ গুলাগ'ক তেওঁ 'মানৱীয় দলিল' আখ্যা দিছে, আয়ুবখাঁৰ' 'ফ্ৰেণ্ডছ্' নট মাষ্টাৰছ' নামৰ গ্ৰন্থক আত্ম-প্ৰচাৰৰ বাহন বুলিছে। আনহাতে, বোলছবি, প্ৰাচ্যতত্ত্ব, অনাতাঁৰ নাট এইবোৰ বিষয়ো তেওঁৰ বিচৰণ ক্ষেত্ৰ হৈছে।

অৰুণ শৰ্মাৰ 'পুৰুষ' নামৰ নাটকৰ টেকনিক আৰু বিষয়বস্তুক তেওঁ সহানুভূতিৰে আদৰিছে আৰু কৈছে ঃ

"ভাব-গধুৰ নাটকৰ, drama of ideas--সফলতাৰ কষটিশিল হেনো সেই নাটকৰ অভিনয় চাই নাটঘৰ এৰাৰ পাছতো মগজৰ ভিতৰত সি কাম কৰি থাকে নে নেথাকে, সেইটোৱেই। সেয়ে হ'লে, 'পুৰুষ' নিশ্চয় সেই পৰীক্ষাত উত্তীৰ্ণ হ'ব আৰু আধুনিক অসমীয়া নাট্য-সাহিত্যৰ নতুন বিশিষ্ট কীৰ্তি বুলি পৰিগণিত হ'ব।" নাটখন তেওঁ কেৱল পঢ়াই নহয়, ইয়াৰ অভিনয়ো তেওঁ চাইছে। নাটখন আৰু অভিনয়--উভয়ক্ষেত্ৰতে কিছু সীমাবদ্ধতাৰ আভাস দিছে যদিও সামগ্ৰিকভাৱে নাটখনৰ সম্পৰ্কে আশাবাদী মনোভাৱো প্ৰকাশ কৰিছে। মন কৰিবলগীয়া কথা এই যে তেওঁ শৰ্মাৰ অন্তৰ্মুখী ব্যক্তিকেন্দ্ৰিকতাৰপৰা সমাজসচেতনতালৈ উত্তৰণ সম্ভৱ হ'ব পাৰে বুলিও অভিমত দিছে। সম্ভৱতঃ শৰ্মাৰ 'চিএৱ' নামৰ নাটখন এনে অভিমতৰে ফল। সৌৰভ কুমাৰ চলিহাৰ দৰে চেতনা-স্ৰোতৰ পৰীক্ষা কৰা নগেন শইকীয়াৰ গল্পকো তেওঁ অভিনন্দিত কৰিছে। চেতনা-স্ৰোত পদ্ধতিত অক্ৰমিকতাৰ মাজত শৃংখলা অনাৰ প্ৰচেষ্টা দেখা যায়, সেই প্ৰচেষ্টা শইকীয়াৰ গল্পতো বৰকটকীয়ে প্ৰত্যক্ষ কৰিছে। দুই এটা বঙলুৱা ঠাঁচ আৰু চি. পি. স্ন'ৰ বৈজ্ঞানিক চিন্তাৰ প্ৰভাৱৰ ফলত গল্পৰ কিছু ক্ষতি হোৱাৰ কথা উল্লেখ কৰিছে যদিও থূলমূলভাৱে শইকীয়াৰ এই পৰীক্ষাক বৰকটকীয়ে প্ৰশংসা কৰিছে। এইবোৰৰ অৰ্থ এটাই--সেইটো হ'ল অসমীয়া সংস্কৃতিৰ বিকাশ আৰু তাৰ জৰিয়তে অসমীয়া জাতিৰ বৌদ্ধিক আৰু মানসিক দিগন্তৰ প্ৰসাৰ।



বৃহত্তৰ কলেৱৰৰ উপন্যাস সম্পৰ্কে এবাৰ তেওঁ এটা চমু আলচ কৰিছিল। আজিকালি বৃহত্তৰ কলেৱৰৰ উপন্যাস ভাল নোপোৱাসকলক অথবা তেনে উপন্যাসৰ দিন এতিয়া আৰু নাই বুলি যিসকলে ক'ব খোজে, তেওঁবিলাকক সেই আলচটিত এইবুলি সকীয়াই দিছে ঃ

"বৃহৎ আকাৰৰ উপন্যাসৰ দিন আৰু নাই বুলি মই মুঠেই নাভাবোঁ। সচ্চিদানন্দ হীৰানন্দ বাৎস্যায়নৰ লগত মই একমত যে বৃহৎ কলেৱৰৰ কালোত্তীৰ্ণ এপিক উপন্যাসৰ দিন উকলি যোৱাতো নায়েই, বৰঞ্চ আধুনিক জীৱনৰ অভিজ্ঞতা আৰু জিজ্ঞাসৰ ফলশ্ৰুতিস্বৰূপে বৃহৎ কলেৱৰৰ উপন্যাসৰ এক নৱজন্মৰ দিনহে ওচৰ চাপি আহিছে আৰু ভৱিষ্যতলৈ এনে উপন্যাসৰ বাবে দাবী আৰু বেছি তীব্ৰহে হ'ব।"

বৰকটকীৰ এপিকধৰ্মী উপন্যাস সম্পৰ্কে এই মন্তব্য প্ৰণিধানযোগ্য। তেওঁ আজিৰ কৰ্মব্যস্ততাৰ মাজত মানুহ যে সৰু সৰু উপন্যাস, বা গল্পৰ প্ৰতি আকৃষ্ট হৈছে, সেই কথা স্বীকাৰ কৰিও কৈছে যে আজিৰ মানুহৰো বৃহৎ আকাৰৰ উপন্যাসৰ প্ৰতি শ্ৰদ্ধা কমা নাই। মানৱীয় অখণ্ডতাৰ বাবে মানুহৰ যি ক্ষুধা আছে খণ্ডিত ঘটনাৰ সৰু উপন্যাসে তাক পূৰণ কৰিব নোৱাৰে। আমাৰ ঔপন্যাসিকসকলে এই কথাত একমত হওক, নহওক, কথাটো ভাবি চাব পাৰে।

ৰাজনীতি, আৰু সাহিত্যৰ সম্পৰ্ক কি? এই বিষয়েও তেওঁৰ মতামত আছে। ছলঝেনিটচিনৰ 'গুলাগ' প্ৰসংগত দুয়োটাৰে সম্পৰ্কৰ ইংগিত দিছে ঃ

"সঁচা কথা, সলঝেনিটসিন ৰাজনীতিগ্ৰস্ত। উগ্ৰভাৱে ৰাজনৈতিক চেতনা-জৰ্জৰিত লিখক। কিন্তু ৰাজনীতিক বাদ দি ৰাষ্ট্ৰ-ব্যৱস্থাৰ পৰা বিচ্ছিন্ন সমাজ আৰু জীৱন জানো বাস্তৱ জীৱন আৰু প্ৰকৃত সমাজ হ'ব পাৰে? সলঝেনিটসিনৰ শিল্পকৰ্ম ৰাজনীতিৰ দ্বাৰা পৰিচালিত হ'লেও সি মানুহ আৰু মানৱীয় জীৱনচৰ্যাৰ হকে নিৱেদিত শিল্পকৰ্ম। মানুহ যদি সামূহিকভাৱে ৰাজনৈতিক জন্তুৱেই তেনেহ'লে ৰাজনীতিৰ পঙ্কত লেপ লোৱা মানুহৰ আচৰণ লৈ সাহিত্য কৰাৰ দোষ কোনখিনিত?"

'গুলাগ' উপন্যাসত ৰুছদেশৰ চৰকাৰী সাম্যবাদৰ প্ৰভাৱত ঘটা মানৱ-নিপীড়নৰ বলিষ্ঠ কাহিনী আছে। সেইবাবে পুথিখন বিতৰ্কমূলক। কিন্তু ৰুছদেশীয় চৰকাৰী সাম্যবাদে যে ভুল কৰা নাছিল এনে নহয়; ছলঝেনিটচিনক আমি সেইবাবে দোষাৰোপ কৰিব নোৱাৰোঁ। তদুপৰি ই সাহিত্য হিচাপেও উৎকৃষ্ট। বৰকটকীয়ে আলোচনা কৰি দেখুৱাইছে যে কিতাপখন মূলতঃ এখন মানৱীয়

দলিল আৰু লগতে এইবুলি মন্তব্য কৰিছে যে ৰাজনৈতিক বাক-বিতণ্ডা ওৰ পৰাৰ পিছত পুথিখন ৰুছদেশতো গ্ৰহণযোগ্য হ'ব। ছোভিয়েট ৰাছিয়া থান্‌বান হোৱাৰ আগেয়ে কৰা এই মন্তব্য আংশিকভাৱে হ'লেও সত্য হৈ পৰিছে। ৰুছ দেশলৈ এতিয়া ছল্‌ঝেনিট্‌চিন সুদীৰ্ঘ প্ৰবাসৰ পিছত পুনৰ উভতি গৈছে আৰু তাত আদৰো পাইছে।

এনেবোৰ চিন্তাৰপৰা ধৰিব পাৰি, তেওঁৰ দৃষ্টি আছিল উদাৰ, নিৰপেক্ষ আৰু মানৱীয়। সংস্কৃতিৰ মাজত মানৱতাবোধৰ সন্ধান কৰাই তেওঁৰ সমালোচনাৰ ঘাই লক্ষ্য আছিল। এইবাবেই তেওঁ আমাৰ শ্ৰদ্ধাৰ পাত্ৰ। হেম বৰুৱা বা ভবানন্দ দত্তৰ দৰে আগবয়সতে তেওঁ এনে ধৰণৰ সমালোচনাত লগা হ'লে তেওঁৰপৰা আৰু বহুত প্ৰণালীবদ্ধ সাৰগৰ্ভ ৰচনা আমি পালোহেঁতেন। এই পুথিত সন্নিবিষ্ট প্ৰবন্ধবোৰত সংক্ষিপ্ত, অতিসংক্ষিপ্ত আৰু দীৰ্ঘ ৰচনাও আছে। দ্ৰুত সমীক্ষা বা পৰ্য্যালোচনা (Rapid Review), বা পুথি-পৰিচয়জাতীয় চুটি প্ৰবন্ধও পুথিখনত সামৰি লোৱাৰ কাৰণ হ'ল, সেইবোৰতো তেওঁৰ সংযত, গম্ভীৰ; যথোপযুক্ত সমীক্ষাত্মক দৃষ্টিৰ আভাস আছে। সমাজ-চেতনা বা শ্ৰেণী-চেতনাৰ ইংগিত তেওঁৰ ৰচনাত প্ৰত্যক্ষ নহ'লেও সমাজ বা ইতিহাস সম্বন্ধে তেওঁক একেবাৰে উদাসীন বুলিব নোৱাৰি। অৱক্ষয়-চেতনা তেওঁৰ প্ৰিয় নহয়, সকলো উদ্যম অৰ্থহীন, এবছাৰ্ড, এনে ধাৰণাও তেওঁৰ আছিল যেন নেলাগে। তেওঁ বিচাৰিছিল অসমীয়া সাহিত্য-সংস্কৃতিয়ে, পশ্চিমৰ দৰেই, স্বকীয়ভাৱে যুগসন্ধি একোটাৰ মৰ্ম উপলব্ধি কৰক, নতুন সৃষ্টিৰ প্ৰশ্নেৰে মুখৰ হৈ উঠক। ই ইতিহাস চেতনাৰে নামান্তৰ মাথোন। তেওঁৰ জীৱনবোধত সংকীৰ্ণ জাতীয়তাবাদ নাই, সি আসমুদ্ৰ হিমাচল বিস্তীৰ্ণ। অসমীয়ালৈ অনূদিত গ্ৰীক-নাটক 'এণ্টিগনি'ৰ অভিনয় চাই তেওঁ কৰা আলোচনাত আমি তেওঁৰ বহল মানৱীয় দৃষ্টিৰ উমান পাওঁ।

পুথিখন যুগুতোৱাত আমি নিমিত্তমাত্ৰহে, প্ৰকৃত কাম কৰিছে বৰকটকীদেৱৰ বিদূষী কন্যা শ্ৰীমতী মীনাক্ষী ভট্টাচাৰ্য্য আৰু যৌৱনৰ ডেওনা পাৰ কৰা পৰিচিত লেখক অধ্যাপক উপেন্দ্ৰ নাথ বৰকটকীয়ে। বৰকটকীদেৱৰ পত্নী প্ৰাক্তন সাংসদ শ্ৰীযুতা ৰেণুকা দেৱী বৰকটকীয়ে গোটেই প্ৰচেষ্টাৰ গুৰি ধৰি আমাক উপকৃত কৰিছে। সংস্কৃতিবান পৰিয়াল এটাই এই বিষয়ত যিখিনি কৰা উচিত, সেই আটাইখিনি বৰকটকী পৰিয়ালে কৰিছে। সেইবাবে তেখেতসকলক আন্তৰিক ধন্যবাদ জনাইছোঁ। বৰকটকীৰ হাতৰ আখৰ চিনাটো বৰ টান,



জালোমান প্ৰলম্ব অভয়াপুৰী ছোৱালী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা শ্ৰীমতী ৰমা দেৱী আৰু উদীয়মান লেখক শ্ৰীবীৰেন্দ্ৰকুমাৰ লহকৰে সযতনে ন-কৈ লিখি দিয়াত পঢ়াৰ সুবিধা হৈছে। পুথিখনত সাহিত্য-বিষয়ক গ্ৰন্থৰ সমালোচনাই সৰহ, পোনছবি আৰু নাট্যাভিনয়ৰ আলোচনা কম। তথাপি সাহিত্য আৰু কলা দুয়োটা বিষয়ৰে আলোচনা থকা বাবে আমি 'প্ৰসংগ ঃ সমালোচনা' এই নামটো বাছনিৰে ঠিক কৰিছোঁ। শ্ৰীমতী মীনাক্ষী আৰু ড° শিৱনাথ বৰ্মণেও এই বিষয়ে পৰামৰ্শ আগবঢ়োৱাত উভয়ৰে শলাগ লৈছোঁ।

সামৰণিত কওঁ, ওপৰে ওপৰে চালে জীৱনটো এটা 'আয়ৰণি' যেন লাগে। হাঁহি-মাতি মুখৰ হৈ থকা মানুহ এজন হঠাৎ নোহোৱা হৈ যায়--'আয়ৰণি নহয় কি? এই কথা বুজিবলৈ লিয়েৰ নপঢ়িলেও হয়,--অভিজ্ঞতাই আমাক তাকে শিকায়। অৱশ্যে তাতেই প্ৰশ্নটো শেষ হৈ নাযায়। গভীৰভাৱে চালে আকৌ দেখিম যে জীৱনৰ এই ক্ষণিকতা মূল্যবোধযুক্ত কৰ্মৰ মাজেৰে অৰ্থপূৰ্ণ হয়। চিৰন্তন হৈ উঠে। বৰকটকীয়েও কথাই কামে মানৱতাবোধৰ আদৰ্শেৰে জীৱনক এটা অৰ্থ দি গ'ল, সেই অৰ্থই আমাৰ বাবে ডাঙৰ সম্পদ আৰু আশীৰ্বাদ। সমালোচনাৰ অৰ্থ কলাকৃতিৰ দোষ-গুণ বিচাৰো হ'ব পাৰে, তাৰ অন্তৰ্গত গাঁথনিৰ মৰ্মোৎঘাটনো হ'ব পাৰে, তেওঁ এই দুয়োটাৰ মাজতে বিচৰণ কৰিছিল আৰু তাৰ মাজতো অন্বেষণ কৰিছিল মানৱীয় প্ৰতিমা বা তাৰ ৰূপভেদ। লক্ষ্মীনাথ বেজবৰুৱা গ্ৰন্থ বা সল্‌ঝেনিটসিনৰ 'গুলাগ'ৰ আলোচনা পঢ়িলেই তাৰ ইংগিত পোৱা যায়। তেওঁৰ চিন্তামূলক গদ্য-ৰীতিত আমাৰ বাবে অনুপ্ৰেৰণাৰ থল হৈ ৰ'ব। সহৃদয় পাঠকে তেওঁৰ ৰচনাৰ আদৰ কৰিব বুলি আশা কৰিছো।

*নলিনীধৰ ভট্টাচাৰ্য্য*